**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-03-2025 **Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

১। ম্যানমাৰক যোৱা সপ্তাহত জোকাৰি যোৱা ভয়ংকৰ ভূমিকম্পত এতিয়ালৈ মৃত্যু হোৱা লোকৰ সংখ্যা দুহেজাৰতকৈও অধিক হৈছেগৈ।

২। কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে একত্ৰিত পেঞ্চন আঁচনি কাইলৈৰ পৰা কাৰ্যকৰী হ'ব।

৩। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কাইলৈ নতুন দিল্লীত এটা অৰ্থনৈতিক ফ'ৰাম প'ৰ্টেল মুকলি কৰিব।

৪। পৱিত্ৰ ৰমজান মাহৰ অন্তত আজি সমগ্ৰ দেশতে ঈদ-উল-ফিতৰ উৎসৱ উদযাপন কৰা হৈছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০০০০

ম্যানমাৰক যোৱা সপ্তাহত জোকাৰি যোৱা ভয়ংকৰ ভূমিকম্পত এতিয়ালৈ মৃত্যু হোৱা লোকৰ সংখ্যা দুহেজাৰতকৈও অধিক হৈছেগৈ। যোৱা শুকুৰবাৰে ম্যানমাৰত ৭ দশমিক ৭ প্ৰাবল্য আৰু ৬ দশমিক ৭ প্ৰাবল্যৰ ওপৰা-উপৰিকৈ অহা দুটা ভূমিকম্পই দেশখনৰ মান্দালেই অঞ্চলক বেয়াকৈ ক্ষতিগ্ৰস্ত কৰিছে। দেশখনত অহা এই ভয়ংকৰ ভূমিকম্পই থাইলেণ্ড, ভিয়েটনাম, লাওচ আৰু দক্ষিণ-পশ্চিম চীনকো জোকাৰি যায়। ম্যানমাৰৰ সামৰিক বাহিনীৰ নেতৃত্বই জনোৱা মতে এই ভূমিকম্পৰ ফলত দুহেজাৰ ৫৬ গৰাকীতকৈও অধিক লোকে প্ৰাণ হেৰুৱাইছে আৰু ৩ হাজাৰ ৯০০তকৈও অধিক লোক আহত হৈছে। ২৭০ গৰাকী লোক এতিয়াও সন্ধানহীন হৈ আছে। দেশখনৰ ষ্টেট এডমিনিষ্ট্ৰেটিঙ কাউঞ্চিলৰ অধ্যক্ষ মিন-অং-হ্লেইঙে দেশখনত ৭ দিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিছে। এই সময়ছোৱাত ৰাষ্ট্ৰীয় পতাকাসমূহ অৰ্ধনমিত হৈ থাকিব।

ধ্বংস্তূপৰ মাজত আৱদ্ধ হৈ থকা লোকসকলৰ সন্ধানত উদ্ধাৰকাৰী দলে পূৰ্ণগতিত অভিযান চলাই আছে। ভাৰত-ৰাছিয়া সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ লগতে ৰাষ্ট্ৰসংঘইও দেশখনলৈ সহায়-সহযোগিতা আগবঢ়াইছে। ভাৰতে ম্যানমাৰলৈ খাদ্য সামগ্ৰী, ঔষধ যোগান ধৰাৰ লগতে উদ্ধাৰ অভিযানত সহায়ৰ বাবে অপাৰেচন ব্ৰহ্মা মুকলি কৰিছে। ভাৰতৰ পৰা যোৱা উদ্ধাৰকাৰী দলে উদ্ধাৰ অভিযানত সহায় কৰাৰ লগতে আক্ৰান্ত লোকসকলক চিকিৎসাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। য়াংগুনত থকা ভাৰতৰ দূতাবাসে জনোৱা মতে মান্দালে আৰু য়াংগুনত উদ্ধাৰ আৰু সাহায্যৰ বাবে ভাৰতৰ পৰা আৰু অধিক ঔষধ আৰু খাদ্য সামগ্ৰী প্ৰেৰণ কৰি থকা হৈছে। ম্যানমাৰৰ বতৰ বিজ্ঞান আৰু জল বিজ্ঞান বিভাগে জনোৱা মতে আজি পুৱাৰ ভাগলৈ কেইবাটাও ভূমিকম্পৰ জোকাৰণি অনুভূত হৈছে। চুবুৰীয়া দেশ থাইলেণ্ডত এই ভূমিকম্পত ১৯ জন লোকৰ মৃত্যু হৈছে। বেংককৰ ধ্বংসস্তূপৰ পৰা কেইবাহাজাৰো লোকক উদ্ধাৰ কৰা হৈছে।

০০০০০০০

0000000

কেন্দ্রীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে একত্ৰিত পেঞ্চন আঁচনি (ইউ. পি. এছ.) কাইলৈৰ পৰা কাৰ্যকৰী হ 'ব। কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থাৰ অধীনত এটা বিকল্প হিচাপে ইউ. পি. এছ. প্ৰৱৰ্তন কৰিছিল। পেনশ্যন ফাণ্ড ৰেগুলেটৰী এণ্ড ডেভেলপমেণ্ট অথৰিটি , পি. এফ. আৰ. ডি. এ.-য়ে শেহতীয়াকৈ ইউ. পি. এছ.-ৰ কাৰ্য্যকৰীকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ তিনিটা গোটৰ সৈতে সম্পৰ্কিত নিয়মাৱলীসমূহ প্ৰকাশ কৰিছে। প্ৰথম শ্ৰেণীত ২০২৫ চনৰ ১এপ্ৰিললৈকে সেৱাত জড়িত থকা এজন বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীক এনপিএছৰ অধীনত সামৰি লোৱা হৈছে , দ্বিতীয় শ্ৰেণীত কেন্দ্ৰীয় চৰকাৰৰ সেৱাত নতুনকৈ নিযুক্তিপ্ৰাপ্ত সকলক অন্তৰ্ভুক্ত কৰা হৈছে, যিসকলে ২০২৫ চনৰ ১এপ্ৰিলৰ দিনা বা তাৰ পাছত সেৱাত যোগদান কৰিব আৰু তৃতীয় শ্ৰেণীত সেইসকল চৰকাৰী কৰ্মচাৰী অন্তৰ্ভুক্ত যিসকল এনপিএছ-ৰ অংশ আছিল আৰু ৩১ মাৰ্চ বা তাৰ আগেয়ে অৱসৰ গ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে আমাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি প্ৰায় ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী এই পেঞ্চন আঁচনিৰ দ্বাৰা উপকৃত হ 'ব।

000000

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কাইলৈ নতুন দিল্লীত নীতি এন. চি. এ. ই. আৰ. ৰাজ্যসমূহৰ বাবে অৰ্থনৈতিক ফ 'ৰাম প ' ৰ্টেল মুকলি কৰিব। ৰাষ্ট্ৰীয় প্ৰয়োগিক অৰ্থনৈতিক গৱেষণা পৰিষদৰ সহযোগিতাত নীতি আয়োগে এই প 'ৰ্টেলটো নিৰ্মান কৰিছে যিটো ১৯৯০-৯১ ৰ পৰা ২০২২-২৩ লৈ প্ৰায় ৩০ বছৰৰ বাবে ৰাজ্যি সমূহৰ বিত্তীয় পৰিস্থিতিৰ ওপৰত সামাজিক, অৰ্থনৈতিক আৰু বিত্তীয় মাপকাঠি, গৱেষণা প্ৰতিবেদন, গৱেষণা পত্ৰ আৰু বিশেষজ্ঞৰ ভাষ্যৰ তথ্য সমূহৰ এটা বিস্তৃত ভাণ্ডাৰ হিচাপে ব্যৱহৃত হ ’ব। প 'ৰ্টেলটোত মূলতঃ ৰাজ্যিক প্ৰতিবেদন, তথ্য কেন্দ্ৰ, ৰাজ্য সমূহৰ বিত্তীয় আৰু অৰ্থনৈতিক খাতিয়ান আৰু অভিজ্ঞসকলৰ গৱেষণা আৰু মন্তব্য এই চাৰিটা মুখ্য উপাদানেৰে সমৃদ্ধ।

000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি হাৰিয়ানাৰ হিছাৰত থকা মহাৰাজা অগ্ৰসেন চিকিৎসা মহাবিদ্যালয় হাস্পতালত নতুনকৈ নিৰ্মাণ কৰা আই চি ইউ ব্লক মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে চিকিৎসালয়খনৰ চৌহদত মহাৰাজা অগ্ৰসেনৰ প্ৰতিমূৰ্তিও উন্মোচন কৰে। শ্ৰী শ্বাহে মহাবিদ্যালয়খনৰ স্নাতকোত্তৰ ছাত্ৰাবাসৰ আধাৰশিলাও স্থাপন কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰী নায়ব সিং চাইনী, স্বাস্থ্যমন্ত্ৰী আৰ্তি ৰাও, হিছাৰৰ বিধায়ক সাবিত্ৰী জিন্দালৰ লগতে কুৰুক্ষেত্ৰৰ সাংসদ নবীন জিন্দালো উপস্থিত আছিল।

0000000

পবিত্ৰ ৰমজান মাহৰ অন্তত আজি সমগ্ৰ দেশতে ঈদ-উল-ফিতৰ উৎসৱ উদযাপন কৰা হৈছে। দেশৰ ভিন্ন প্ৰান্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে ঈদগাহ আৰু মছজিদসমূহত ঈদৰ সমূহীয়া নামাজত অংশগ্ৰহণ

কৰে। দিল্লীত জামা মছজিদ, ফাতেহপুৰী মছজিদ আৰু শ্বাহী ঈদগাহ্ ময়দানত সমূহীয়া ঈদৰ নামাজৰ আয়োজন কৰা হয়।

ঈদ উপলক্ষে ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ইছলাম ধৰ্মাৱলম্বী লোকসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে এই উৎসৱে ভাতৃত্ববোধ, সহযোগিতা আৰু দয়াৰ মনোভাৱ বৃদ্ধি কৰে। ঈদ উৎসৱে শান্তি, প্ৰগতি আৰু সুখ কঢ়িয়াই আনি সমাজক ইতিবাচক দিশত আগুৱাই লৈ যাব বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আশা প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয়, যে ঈদ উৎসৱে সাংস্কৃতিক বৈচিত্ৰ্যক প্ৰতিফলিত কৰাৰ লগতে একতাৰ মনোভাৱ জগাই তোলে। এই উৎসৱে জনসাধাৰণক শক্তিশালী আৰু সমৃদ্ধ দেশ নিৰ্মাণত সহায়ক হোৱা মূল্যবোধৰ প্ৰতি প্ৰেৰণা জগাই তুলিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঈদ-উল-ফিটৰৰ শুভেচ্ছা জনাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত আশা প্ৰকাশ কৰে, যে এই উৎসৱে সমাজত আশা, সমন্বয় আৰু দয়াৰ মনোভাৱ সুদৃঢ় কৰি তুলিব। তেওঁ এই উৎসৱৰ ক্ষণত সকলোৰে সাফল্য কামনা কৰে।

সমূহীয়া নামাজৰ বাবে অসমতো বিভিন্ন প্ৰান্তৰ মছজিদ আৰু ঈদগাহসমূহ সজাই তোলা হয়। ঈদ উপলক্ষে বিশ্ব শান্তিৰ কামনাৰে ৰাজ্যৰ ইছলামধৰ্মী লোকসকলে আজি সমূহীয়া নামাজত অংশগ্ৰহণ কৰে। অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ঈদ-উল-ফিটৰ উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ বাতৰি আৰু কেতবোৰ অনুষ্ঠানৰ সময় কিছু সাল-সলনি কৰা হৈছে। শ্ৰোতাসকলৰ বিপুল দাবীৰ প্ৰতি সঁহাৰি জনাই জনপ্ৰিয় অনুষ্ঠান 'জিলাৰ ৰেহৰূপ' কাইলৈৰ পৰা পুনৰ সন্ধিয়াৰ পৰিৱৰ্তে পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২০ মিনিটলৈ প্ৰচাৰৰ দিহা কৰা হৈছে। দিনৰ ১০ বজাত প্ৰচাৰিত মুখ্য বাতৰি কাইলৈৰ পৰা ১১ বজাত প্ৰচাৰ কৰা হ'ব। একেদৰে বিবিধ ভাৰতীযোগে পুৱা ৭ বাজি ২৮ মিনিট আৰু নিশা ৮ বাজি ২৮ মিনিটত প্ৰচাৰিত মুখ্য বাতৰিৰ প্ৰচাৰ কাইলৈৰ পৰা বন্ধ কৰা হ'ব।

০০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **পোষণ অভিযানৰ জৰিয়তে পুষ্টিহীনতা নিৰ্মূল** সন্দৰ্ভত নতুন দিল্লীত অৱস্থিত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ শিশু শৈল্য চিকিৎসা বিভাগৰ সহযোগী অধ্যাপক ডাঃ অজয় বাৰ্মা আৰু পৰিপুষ্টিৰ বিশেষজ্ঞ ডাঃ ৰীচা জয়ছোৱালৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **গৰ্ভৱতী মহিলা তথা শিশুৰ পুষ্টিহীনতা কিদৰে চিনাক্ত আৰু পৰিপুষ্টি নিয়ন্ত্ৰণ কৰিব পাৰি** এই সন্দৰ্ভত সমল ব্যক্তিসকলক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰাৰ লগতে সামাজিক মাধ্যম **এক্সত, হেছটেগ AskAir** ৰ জৰিয়তেও প্ৰশ্ন সুধিব পাৰিব।

০০০০০০০০

মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ' আৰু দিল্লী আৰক্ষীয়ে আজি দিল্লী এন চি আৰৰ পৰা এটা বৃহৎ মাদক দ্ৰব্য সৰবৰাহী চক্ৰ উৎখাত কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত এই কথা প্ৰকাশ কৰে। জানিব পৰা মতে মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ' আৰু দিল্লী আৰক্ষীয়ে এই চক্ৰটোৰ পৰা এম ডি এম এ, কোকেইনকে ধৰি ২৭ কোটিতকৈও অধিক মূল্যৰ মাদক দ্ৰব্য উদ্ধাৰ কৰে। দলটোৰে ৪ জন লোককো গ্ৰেপ্তাৰ কৰিছে। শ্ৰী শ্বাহে এই সফলতাৰ বাবে এন চি বি আৰু দিল্লী আৰক্ষীক ভূয়সী প্ৰশংসা কৰে। তেওঁ কয়, যে নৰেন্দ্ৰ মোদী চৰকাৰখনে মাদক দ্ৰব্যৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰি আহিছে আৰু অবিৰতভাৱে মাদক দ্ৰব্যৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ক্ষন্তেক সময়ৰ পাছতে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ, কলকাতা নাইট ৰাইডাৰছৰ মুখামুখি হ'ব। মুম্বাই ইণ্ডিয়ানছে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছে।

০০০০০০০

চলিত বৰ্ষৰ পুৰুষৰ হকী হিৰ' এছিয়া কাপ প্ৰতিযোগিতা বিহাৰত অনুষ্ঠিত হ'ব। হকী ইণ্ডিয়াৰ সহযোগত অহা ২৯ আগষ্টৰ পৰা ৭ ছেপ্তেম্বৰলৈ এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এয়া হৈছে এছিয়া কাপৰ দ্বাদশ সংস্কৰণ। এই সন্দৰ্ভত আজি পাটনাত হকী ইণ্ডিয়া আৰু বিহাৰ ৰাজ্যিক ক্ৰীড়া প্ৰাধিকৰণৰ মাজত এখন চুক্তি স্বাক্ষৰ হয়। এই প্ৰতিযোগিতাত দক্ষিণ কোৰিয়া, ভাৰত, পাকিস্তানকে ধৰি এছিয়াৰ ৮ খন দেশে ভাগ ল'ব। হকী ইণ্ডিয়াৰ অধ্যক্ষ ডং দিলীপ তিৰ্কীয়ে এই বৃহৎ ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে বিহাৰ চৰকাৰ আৰু বিহাৰ ৰাজ্যিক ক্ৰীড়া প্ৰাধিকৰণক প্ৰশংসা কৰিছে। প্ৰায় ২০ হাজাৰ দৰ্শকে এই প্ৰতিযোগিতা উপভোগ কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

টেনিছ তাৰকা ইউকি ভাম্ব্ৰি এ টি পি ডাবল্‌ছৰ শীৰ্ষ ৩০ টা স্থানত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকী নিজৰ কেৰিয়াৰত প্ৰথমবাৰৰ বাবে ২৬ সংখ্যক স্থানত প্ৰৱেশ কৰিছে। ভাম্ব্ৰিয়ে দেশৰ প্ৰখ্যাত খেলুৱৈ ৰোহন বোপন্নাক অতিক্ৰম কৰি ভাৰতৰ ডাবল্‌ছ টেনিছ খেলুৱৈৰ শীৰ্ষ স্থান দখল কৰিছে। একেৰাহে চাৰে ৫ বছৰ শীৰ্ষস্থান দখল কৰি থকা ৰোহন বোপন্না ৪৪ সংখ্যক স্থানলৈ অৱনমিত হৈছে।

ইউকি ভাম্ব্ৰিয়ে শেহতীয়াকৈ তেওঁৰ সহযোগী পৰ্টুগালৰ নুন' বৰ্গেচৰ সৈতে মিয়ামি অ'পেন টেনিছ প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল যদিও ব্ৰিটিছ যুটি লয়েড গ্লাছপুল আৰু জুলিয়ান কেছৰ হাতত ৬-৭, ৬-৩, ৮-১০ ছেটত পৰাস্ত হয়।

০০০০০০০

**সমাপ্ত**